**(ক) তথ্যৰ চিনাক্তকৰণ ঃ**

| | |
|---|---|
| বিদ্যালয়ৰ নাম ঃ | বিষয় ঃ সমাজ বিজ্ঞান |
| শ্ৰেণী ঃ সপ্তম | গোট ঃ |
| শিক্ষাৰ্থীৰ সংখ্যা ঃ | পাঠ ঃ সম্পদ |
| গড় বয়স ঃ বছৰ | পাঠ্যপুথি ঃ সমাজ বিজ্ঞান |
| সময় ঃ | |
| তাৰিখ ঃ | শিক্ষকৰ নাম ঃ |

ASOMJOB.IN ASOMJOB.IN

**(খ) সাধাৰণ উদ্দেশ্য ঃ**

১। শিক্ষাৰ্থীসকলক মানুহ আৰু পৰিৱেশৰ সম্পৰ্কৰ বিষয়ে জ্ঞান লাভ কৰিবলৈ সক্ষম কৰি তোলা।

২। শিক্ষাৰ্থীসকলক সমাজৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু পৰিৱেশ সম্বন্ধীয় বিষয়ৰ বিষয়ে বোধ লাভ কৰিবলৈ সক্ষম কৰি তোলা।

৩। শিক্ষাৰ্থীসকলক সমাজ বিজ্ঞানৰ জৰিয়তে মানৱ সমাজৰ তাত্ত্বিক জ্ঞান আৰু বৌদ্ধিক দিশৰ জ্ঞান লাভ কৰোৱাৰ লগতে ব্যক্তিগত জীৱনত তাক প্ৰয়োগ কৰিবলৈ সক্ষম কৰি তোলা।

৪। শিক্ষাৰ্থসকলক সমস্যা সমাধান আৰু সিদ্ধান্তগ্ৰহণৰ কৌশল আয়ত্ব কৰিবলৈ সক্ষম কৰি তোলা।

ASOMJOB.IN

ASOMJOB.IN

(গ) শিক্ষণীয় সঁজুলি ঃ

১। সাধাৰণ সঁজুলি ঃ পাঠ্যপুথি, কৃষ্ণফলক, খৰি-মাটি, বুৰুজ, নিৰ্দেশক মাৰি।

২। বিশেষ সঁজুলি ঃ পানী, মাটি, গছপুলি।

## (ঘ) প্ৰস্তাৱনা ঃ

| স্তৰ | পূৰ্বজ্ঞানৰ ধাৰণা | শিক্ষকৰ কাৰ্যাৱলী | শিক্ষাৰ্থীৰ কাৰ্যাৱলী |
|---|---|---|---|
| প্র<br>স্তা<br>ৱ<br>না | ধাৰণা কৰা হয় যে শিক্ষাৰ্থীসকলৰ প্ৰকৃতিৰ কিছুমান বস্তু সম্পৰ্কে জ্ঞান আছে। | শিক্ষকে হঁাহি মুখেৰে শিক্ষণীয় সঁজুলিসমূহ লৈ শ্ৰেণীকোঠাত প্ৰৱেশ কৰি অনুকূল পৰিৱেশ সৃষ্টি কৰিব আৰু পাঠৰ লগত সংগতি ৰাখি তলৰ প্ৰশ্নসমূহ সুধি শিক্ষাৰ্থীক পাঠটোৰ প্ৰতি অভিৰোচিত কৰিব- | শিক্ষাৰ্থীসকলে শিক্ষকক থিয় হৈ সন্মান জনাই আসন গ্ৰহণ কৰিব আৰু শিক্ষকে সোধা প্ৰশ্নৰ উত্তৰ দিব– |
| | | ১। শিক্ষকে লগত লৈ যোৱা পানী, মাটি, গছপুলি আদি দেখুৱাই শিক্ষাৰ্থীসকলক সুধিব- এই বস্তুকেইটা চিনি পাইছা নিশ্চয়? | ১। পাইছোঁ। |
| | | ২। এইযে বস্তুকেইটা দেখিছা এইবোৰ আমি ক'ৰ পৰা পাওঁ বাৰু?<br>এনেধৰণৰ বস্তুবোৰক আমি সম্পদ বুলি কওঁ। | ২। প্ৰকৃতিৰ পৰা। |
| | | শিক্ষাৰ্থীসকলৰ পৰা যথাযথ উত্তৰ পোৱাৰ পাছত শিক্ষকে আজি আমি আমাৰ পাঠ্যপুথিত থকা 'সম্পদ' নামৰ পাঠটি আলোচনা কৰিম বুলি কৈ কৃষ্ণফলকত পাঠটিৰ নাম স্পষ্টকৈ লিখি দিব। | শিক্ষাৰ্থীসকলে উক্ত পাঠটি নিজ নিজ পাঠ্যপুথিত উলিয়াই ল'ব আৰু পাঠটিৰ নাম নিজৰ টোকাবহীত লিখি ল'ব। |

ASOMJOB.IN
ASOMJOB.IN

## (ঙ) উপস্থাপন

| স্তৰ | শিক্ষণীয় বিষয় | বিশেষ উদ্দেশ্য | শিক্ষকৰ কাৰ্যাৱলী | শিক্ষাৰ্থীৰ কাৰ্যাৱলী | আকাংক্ষিত শিক্ষণৰ ফলাফল |
|---|---|---|---|---|---|
| উপস্থাপন | প্ৰাকৃতিক সম্পদৰ সজ্ঞা | শিক্ষাৰ্থীসকলক প্ৰাকৃতিক সম্পদৰ বিষয়ে জ্ঞান লাভ কৰিবলৈ সক্ষম কৰি তোলা। | শিক্ষকে পাঠটোত প্ৰাকৃতিক সম্পদৰ ধাৰণা স্পষ্ট কৰিবৰ বাবে গছপুলি, পানী, মাটি, লোহাৰ আদি দৃশ্যমান সঁজুলি হিচাপে ব্যৱহাৰ কৰি প্ৰাকৃতিক সম্পদ সম্পৰ্কে ব্যাখ্যা কৰিব। শিক্ষাৰ্থীসকলৰ বোধগম্য হৈছেনে নাই জানিবৰ বাবে শিক্ষকে তলৰ প্ৰশ্নটো সুধিব-<br>১। প্ৰাকৃতিক সম্পদ কাক বোলে? | শিক্ষাৰ্থীসকলে শিক্ষণ সামগ্ৰীকেইটা আগ্ৰহেৰে চাব আৰু মনত ৰখাৰ বাবে প্ৰাকৃতিক সম্পদৰ সংজ্ঞা নিজৰ নিজৰ টোকাবহীত লিখি ল'ব আৰু শিক্ষকে সোধা প্ৰশ্নৰ উত্তৰ দিব-<br>১। প্ৰকৃতিৰ পৰা পোৱা সম্পদসমূহকে প্ৰাকৃতিক সম্পদ বোলে। | শিক্ষাৰ্থীসকলে প্ৰাকৃতিক সম্পদৰ বিষয়ে জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব। |
| | নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদ | শিক্ষাৰ্থীসকলৰ নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদৰ বিষয়ে বোধ জন্মিব। | শিক্ষকে নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদ সম্পৰ্কে উদাহৰণ দি বুজাই দিব আৰু শিক্ষাৰ্থীৰ অগ্ৰগতি জানিবৰ বাবে তলৰ প্ৰশ্নকেইটা সুধিব-<br>১। নবীকৰণযোগ্য সম্পদ কাক বোলে?<br>২। অনবীকৰণযোগ্য সম্পদ কাক বোলে? | শিক্ষাৰ্থীসকলে মনোযোগেৰে শুনি যাব আৰু শিক্ষকে সোধা প্ৰশ্নৰ উত্তৰ দিব-<br>১। পুনৰ ব্যৱহাৰ কৰিব পৰা সম্পদ।<br>২। পুনৰ ব্যৱহাৰ কৰিব নোৱাৰা সম্পদ। | নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদ সম্পৰ্কে বোধ জন্মিব। |
| | সম্পদ সংৰক্ষণৰ ব্যৱস্থা | শিক্ষাৰ্থীসকলে সম্পদ সংৰক্ষণৰ কৌশল আয়ত্ব কৰিবলৈ সক্ষম হ'ব আৰু নিজৰ জীৱনত তাক প্ৰয়োগ কৰিবলৈ সক্ষম হ'ব। | শিক্ষকে সম্পদ সংৰক্ষণ সম্পৰ্কে উদাহৰণসহ বৰ্ণনা কৰিব আৰু শিক্ষাৰ্থীৰ বোধগম্য হৈছেনে নাই জানিবৰ বাবে তলৰ প্ৰশ্নটো সুধিব-<br>১। আমি সম্পদ সংৰক্ষণ কেনেকৈ কৰিব পাৰো? | শিক্ষাৰ্থীসকলে মনোযোগেৰে শুনিব আৰু গুৰুত্বপূৰ্ণ কথাখিনি টোকাবহীত লিখি ল'ব আৰু শিক্ষকে সোধা প্ৰশ্নৰ উত্তৰ দিব-<br>১। বৰষুণৰ পানী জমা কৰি পুনৰ ব্যৱহাৰৰ ব্যৱস্থা কৰা, সৌৰশক্তি ব্যৱহাৰ কৰি ইন্ধনৰ অপব্যয় ৰোধ কৰা, এঢলীয়া ঠাইত খাঁচ কাটি ভূমি ক্ষয় ৰোধ কৰা। | শিক্ষাৰ্থীসকলে সম্পদ সংৰক্ষণৰ কৌশল আয়ত্ব কৰিব আৰু নিজৰ জীৱনত তাক প্ৰয়োগ |

ASOMJOB.IN
ASOMJOB.IN

## (চ) সামৰণি

| স্তৰ | শিক্ষকৰ কাৰ্যাৱলী | শিক্ষাৰ্থীৰ কাৰ্যাৱলী |
|---|---|---|
| সা ম ৰ ণি | শিক্ষাৰ্থীৰ জ্ঞানৰ স্থায়িত্বতাৰ বাবে পাঠটোৰ সাৰাংশ সংক্ষেপে ব্যাখ্যা কৰিব আৰু তলৰ প্ৰশ্নটো গৃহকাৰ্য হিচাপে কৰি আনিবলৈ কৃষ্ণফলকত স্পষ্টকৈ লিখি দিব–<br><br>১। সম্পদ সংৰক্ষণৰ বাবে তুমি তোমাৰ ঘৰখনত কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবা বৰ্ণনা কৰা।<br><br>সময়ৰ সংকেটধ্বনি বজাৰ লগে লগে শিক্ষকে যাৱতীয় শিক্ষণীয় সঁজুলি সামৰি কৃষ্ণফলক পৰিস্কাৰ কৰিব আৰু শিক্ষাৰ্থীসকলক ধন্যবাদ জনাই শ্ৰেণীকোঠা ত্যাগ কৰিব। | শিক্ষাৰ্থসকলে মনোযোগেৰে শুনিব আৰু গৃহকাৰ্যটো নিজৰ নিজৰ বহীত লিখি ল'ব।<br><br>শিক্ষাৰ্থীসকলে ঠিয় হৈ শিক্ষকক বিদায় সম্ভাষণ জনাব। |

ASOMJOB.IN